**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-APR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি বিয়লি ৫ বজাত সামৰণি পৰিব। ভোটগ্ৰহণ শেষ হোৱাৰ ৪৮ ঘণ্টা পূৰ্বে কাৰ্যকৰী হোৱা এই নিষেধাজ্ঞা ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১২৬ নম্বৰ ধাৰা অনুসৰি জাৰি কৰা হৈছে। এই সময়ছোৱাত ৰাজহুৱা সভা, শোভাযাত্ৰা, ইলেকট্ৰনিক অথবা সামাজিক মাধ্যমৰ জৰিয়তে কৰা প্ৰচাৰকে ধৰি সকলো ধৰণৰ নিৰ্বাচনী প্ৰচাৰ সম্পূৰ্ণভাৱে নিষিদ্ধ থাকিব। নিৰ্বাচন আয়োগে ইলেকট্ৰনিক মাধ্যমত মতামত, সমীক্ষা আৰু জৰীপৰ ফলাফলকে ধৰি নিৰ্বাচন সম্পৰ্কীয় বিষয়বস্তু প্ৰদৰ্শন কৰাতো বাধা আৰোপ কৰিছে। অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে সকলো প্ৰাৰ্থী, ৰাজনৈতিক দল আৰু সংবাদ মাধ্যমক এই নীতি নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে। নিৰ্বাচন আয়োগে ৯ এপ্ৰিলৰ দিনা ৰাজ্যখনৰ সকলো জনসাধাৰণকে নিৰ্ভয়ে ভোটদান কৰি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

oooooo

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহে নিজ নিজ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। আজি নিৰ্বাচনী প্ৰচাৰৰ সামৰণিৰ দিনা জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহে বৰাকত তিনিখন নিৰ্বাচনী সভাত অংশ ল'ব। তেওঁ পাথাৰকান্দি আৰু হাইলাকান্দিৰ দুখন নিৰ্বাচনী সভাৰ লগতে শিলচৰৰ পুলিচ পেৰেড গ্ৰাউণ্ডত আন এখন সভাত অংশ ল'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ৰাজ্যৰ তিনিটা স্থানত প্ৰচাৰ চলায়। সভাত দিয়া ভাষণত তেওঁ দেশক বিকশিত আৰু আত্মনিৰ্ভৰ কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আলোকপাত কৰে। শ্ৰীমোদীয়ে কয় যে, বিগত ১০ বছৰত অসমত শান্তি আৰু উন্নয়নৰ পৰিৱেশে বিৰাজ কৰিছে।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি বৰাকৰ দুখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়। সভাত দিয়া ভাষণত শ্ৰীখাৰ্গেই শাসনাধিষ্ঠিত বিজেপি চৰকাৰৰ কাম-কাজৰ সমালোচনা কৰে। জিলাখনৰ বৰখলা বিধানসভা সমষ্টিৰ দলুত আয়োজিত নিৰ্বাচনী জনসভাত শ্ৰীখাৰ্গেৰ সৈতে জিতেন্দ্ৰ সিঙো উপস্থিত থাকে।

আজি নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনা বিজেপি, কংগ্ৰেছকে ধৰি আন আন দলবোৰৰ জ্যেষ্ঠ নেতা তথা তাৰকা প্ৰচাৰকসকলে নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থন ব্যাপক প্ৰচাৰ চলাব।

oooooo

বিধানসভা নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসনসমূহে ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। **কাৰ্বি আংলং** জিলাৰ ডিফুত কালি নিৰ্বাচনৰ বিশেষ পৰ্যবেক্ষক মনজিৎ সিং আৰু ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে জিলাখনৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যালোচনা কৰে। পৰ্যালোচনা বৈঠকত ভোটগ্ৰহণত নিয়োজিত কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ, পৰিবহণ ব্যৱস্থা, আইন শৃংখলা, আহাৰ ব্যৱস্থাপনা আৰু অন্যান্য দিশসমূহৰ বুজ লোৱা হয়। জিলাখনৰ আৰক্ষী প্ৰশাসনৰ উদ্যোগত কালি ডিফু কাচা ষ্টেডিয়ামৰ পৰা ডিফু বজাৰৰ মাজেৰে ডিফু জিলা আয়ুক্ত কাৰ্যালয়লৈ পদযাত্ৰা উলিওৱা হয়। জ্যেষ্ঠ আৰক্ষী অধীক্ষক পুষ্পৰাজ সিঙৰ নেতৃত্বত উলিওৱা এই কাৰ্যসূচীত জিলা আয়ুক্ত আৰণ্যক শইকীয়াই অংশগ্ৰহণ কৰি ভোটদাতাসকলক ৯ এপ্ৰিলৰ দিনা নিৰ্ভীকভাৱে ভোটদান কৰিবলৈ আহ্বান জনায়।

**ডিব্ৰুগড়**ৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া বিক্ৰম কৈৰীয়ে কালি বকুলৰ ডিব্ৰুগড় পলিটেকনিকত জিলাখনৰ ৬টা বিধানসভা সমষ্টিৰ বাবে স্থাপন কৰা ষ্ট্ৰংৰুম পৰিদৰ্শন কৰে। তেওঁ ভোটদানৰ দিনটোৰ বাবে নিৰাপত্তা ব্যৱস্থাৰ লগতে আন দিশসমূহৰো বুজ লয়।

**যোৰহাট** জিলাত কালি আয়ুক্ত জয় শিৱানীয়ে স্থানীয় কাছাৰীমৈদাম পৰিদৰ্শন কৰি নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। তেওঁ নিৰ্বাচনৰ কাম-কাজৰ ক্ষেত্ৰত যান-বাহনৰ সু-ব্যৱস্থাৰ বাবে পৰিবহণ কোষৰ কাম-কাজ পৰ্যালোচনা কৰে। তেওঁ ৰিটাৰ্ণিং বিষয়া, চক্ৰ বিষয়া আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মত বিনিময় কৰে।

**শ্ৰীভূমি** জিলা প্ৰশাসনেও ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়াই কাইলৈ কৰিমগঞ্জ কলেজ খেলপথাৰত ভোটগ্ৰহণৰ বাবে নিয়োজিত কৰ্মীসকলক পুৱা ৮ বজাৰ সলনি পুৱা ৬ বজাত উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়ে।

**কামৰূপ** জিলা প্ৰশাসনে ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সমাপন কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আয়ুক্ত দেৱকুমাৰ মিশ্ৰই কালি জিলাখনৰ ৬টা বিধানসভা সমষ্টিৰ বাবে মুঠ এহেজাৰ ৫৫৫টা ভোটগ্ৰহণ কেন্দ্ৰ সাজু কৰা হৈছে বুলি প্ৰকাশ কৰে। ইয়াৰে ৩০০টা ভোটগ্ৰহণ কেন্দ্ৰ সম্পূৰ্ণ মহিলাৰ দ্বাৰা আৰু ১৫টা ভোটগ্ৰহণ কেন্দ্ৰ বিশেষভাৱে সক্ষম ব্যক্তিৰ দ্বাৰা পৰিচালিত কৰা হ'ব বুলি তেওঁ জনায়। তদুপৰি জিলাখনৰ সীমাৱৰ্তী আৰু স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহ আগতীয়াকৈ সাজু কৰা হৈছে।

০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যজুৰি আজি বিয়লি ৫ বজাৰ পৰা ৯ এপ্ৰিলৰ বিয়লি ৫ বজালৈ সম্পূৰ্ণৰূপে সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। জিলা প্ৰশাসনসমূহে এই সময়ছোৱাত সুৰাপান আৰু বিক্ৰী তথা মজুতকৰণ নিষিদ্ধ কৰিছে। তদুপৰি ৪ মে'ৰ ভোটগণনা দিনাও ভোটগণনা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। এই সময়ছোৱাত কোনো লোকে ব্যক্তিগতভাৱে সুৰা মজুত কৰি ৰাখিলে ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ধাৰা অনুসৰি কঠোৰ ব্যৱস্থা লোৱা হ'ব।

০০০০০০

আজি বিশ্ব স্বাস্থ্য দিৱস। প্ৰতিবছৰে ৭ এপ্ৰিলৰ দিনটো বিশ্ব স্বাস্থ্য সংস্থাই বিশ্ব স্বাস্থ্য দিৱসৰূপে পালন কৰি আহিছে। এইবছৰ এই দিৱসৰ মূল বাণী হৈছে TOGETHER FOR HEALTH. STAND WITH SCIENCE.

০০০০০০

**সমাপ্ত**